## ভাৰতীয় ধৰ্মনিৰপেক্ষতা আৰু সাম্প্ৰদায়িকতাবাদৰ ওপৰত বিতৰ্ক (Debate on Indian Secularism and Communalism) ঃ

অন্যান্য ৰাষ্ট্ৰৰ তুলনাত ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো সম্পূৰ্ণ বেলেগ। ভাৰতত ধৰ্মনিৰপেক্ষতাই কেৱল ৰাষ্ট্ৰ আৰু ধৰ্মৰ ওপৰতেই দৃষ্টি নিক্ষেপ নকৰে, ইয়াত আন্তঃধৰ্মীয় সমতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। ভাৰত এখন বৈচিত্ৰ্যময় দেশ আৰু ইয়াত বিভিন্ন ধৰ্ম, বৰ্ণ, ভাষাৰ মানুহে একেলগে বসবাস কৰে। প্ৰাচীন কালৰ পৰা ভাৰতত আন্তঃধৰ্মীয় সহিষ্ণুতা চলি আহিছে। অৱশ্যে ইয়াতো ধৰ্মীয় প্ৰাধান্যৰ ধাৰণাটো আছিল, কিন্তু সংখ্যালঘু সকলৰ ধৰ্মীয় পৰম্পৰা পালনত কোনো অসুবিধা নোহোৱাৰ কাৰণে ধৰ্মীয় প্ৰাধান্যতাই বিভেদ সৃষ্টি কৰা নাছিল। উদাহৰণস্বৰূপে, সম্ৰাট আকবৰে যোধাবাঈক বিয়া কৰাই তেওঁৰ পূজা অৰ্চনাৰ বাবে ধুনীয়াকৈ মন্দিৰ সাজি দিছিল ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছিল।

ভাৰতৰ ধৰ্মনিৰপেক্ষতাবাদৰ পৰিৱৰ্তন ঘটিছিল বৃটিছ সকল অহাৰ পিছৰ পৰা আৰু ভাৰতৰ ধৰ্মনিৰপেক্ষতাবাদ ধৰ্মৰ মাজতেই আবদ্ধ নাথাকি বিভিন্ন সম্প্ৰদায়বোৰৰ স্বাধীনতাকো সামৰি লৈছিল। স্বাধীনতাৰ ভাৰতৰ ৰাজনৈতিক নেতা সকলৰ মাজত ভাৰতবৰ্ষক এখন 'ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ' হিচপে ঘোষনা কৰা। হ'ব নে নহয়

Scanned by CamScanner

সেই লৈ যথেষ্ট মতবিৰোধ হৈছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে ভাৰতৰ সংবিধান বলবৎ কৰাৰ সময়ত প্ৰস্তাৱনাটোত 'ধৰ্মনিৰপেক্ষ' শব্দটোৱে ঠাই পোৱা নাছিল। পৰৱৰ্তীকালত ১৯৭৬ চনত ৪২ তম সংবিধান সংশোধনী অনুসৰি ভাৰতবৰ্ষক এখন 'ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ' হিচাপে প্ৰতিপন্ন কৰাৰ অৰ্থে 'ধৰ্মনিৰপেক্ষ' শব্দটো ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত অৰ্ন্তভূক্ত কৰা হয়। ভাৰতীয় সংবিধানৰ বিভিন্ন অংশত 'ধৰ্মনিৰপেক্ষ নীতি সমূহ অন্তৰ্ভূক্ত কৰি ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে বিচাৰিছিল। সংবিধানত ধৰ্মৰ অধিকাৰ সংযোজিত কৰাৰ উদ্দেশ্য হৈছে ভাৰতত বাস কৰা জাতি, ধৰ্ম, নিৰ্বিশেষে সকলো লোকৰ কল্যাণ সাধন কৰা।

ভাৰতবৰ্ষ যদিও ধৰ্মনিৰক্ষে ৰাষ্ট্ৰ বুলি কোৱা হয় কিন্তু প্ৰকৃতাৰ্থত বহু সময়ত ৰাজনৈতিক দল তথা মানুহে এই নীতিৰ উলংঘা কৰি আহিছে। ভাৰতৰ মুখ্য ৰাজনৈতিক দল সমূহো এই ক্ষেত্ৰত পিছ পৰি থকা নাই। এই ক্ষেত্ৰত উল্লেখযোগ্য হ'ল বিখ্যাত শ্বাহবানু গোচৰত কংগ্ৰেছ চৰকাৰে পালন কৰা ভূমিকা। ৬২ বছৰীয়া শ্বাহ বাণু নামৰ বিবাহ বিচ্ছেদ হোৱা মুছলিম মহিলা গৰাকীয়ে তেওঁৰ পূৰ্বৰ স্বামীৰ পৰা প্ৰয়োজনীয় খৰচ বিচাৰি উচ্চতম ন্যায়ালয়ত এটা গোচৰ তৰিছিল। উচ্চতম ন্যায়ালয়ে তেওঁৰ সপক্ষে ৰায়দান কৰিছিল। কিন্তু গোড়া মুছলিম সমাজে এই ৰায়ৰ বিৰোধীতা কৰি এই ৰায়ে মুছলিম ব্যক্তিগত আইন (Muslim Personal Law) ক অৱমাননা কৰা বুলি অভিযোগ তুলিলে। ৰাজীৱ গান্ধী নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে প্ৰথম অৱস্থাত উচ্চতম ন্যায়ালয়ৰ ৰায়ক সমৰ্থন কৰিছিল যদিও গোড়া মুছলিম সমাজৰ তীব্ৰ হেঁচাত পৰি চৰকাৰে নিজৰ স্থিতি সলনি কৰি শ্বাহবাণু সম্পৰ্কত উচ্চতম ন্যায়ালয়ৰ ৰায় নাকচ কৰিবৰ বাবে এখন নতুন আইন 'Muslim women's (Protection of rights and Divorce) Act, 1986 প্ৰনয়ন কৰিলে। ফলস্বৰূপে, ভালেমান মহিলা সংগঠন, মুছলিম সমাজৰ একাংশ উদাৰ আৰু ধৰ্মনিৰপেক্ষ তথা বৃহত্তৰ বৌদ্ধিক সমাজেও চৰকাৰৰ এই স্থিতিক বিৰোধিতা কৰিলে। ১৯৭৮ চনৰ বিখ্যাত শ্বাহবাণু গোচৰে ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাৰ স্বৰূপটো উদঙাই দিলে। শ্বাহবাণু গোচৰৰ পিছত ভাৰত চৰকাৰে প্ৰণয়ন কৰা আইন যে সকলো ধৰ্মৰ বাবে সমানে প্ৰযোজ্য নহয় সেই কথাও উপলব্ধি কৰিব পাৰি।

ইয়াৰ উপৰিও ১৯৮০ দশকৰ পৰা ভাৰতীয় জনতা দলৰ গুৰুত্ব ভাৰতীয় ৰাজনীতিত দিনে দিনে বাঢ়ি বৰ্তমান ভাৰতবৰ্ষত একক সংখ্যাগৰিষ্ঠ দল হিচাপে প্ৰতিষ্ঠিত হোৱাত ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো সলনি হোৱাৰ উপক্ৰম হৈছে। এই দলে ভি.ডি. চাভাৰকাৰৰ 'হিন্দুত্ব' ৰ তত্ত্বক স্বীকাৰ কৰি লৈ হিন্দু ধৰ্মৰ লোকক ৰাজনৈতিকভাৱে সংগঠিত কৰি আহিছে। তেওঁলোকৰ মতে ভাৰতীয় সভ্যতা সংস্কৃতিৰ মূল আধাৰ হৈছে 'হিন্দুত্ব'। সেয়েহে ভাৰতীয় সকলে ইয়াক মানি ল'ব লাগে।

এই দলে এইটোও বিশ্বাস কৰে যে কেৱল হিন্দু সংস্কৃতিয়েহে ভাৰতত এক শক্তিশালী ভাৰতীয় সংস্কৃতি নিৰ্মাণৰ পথ প্ৰশস্ত কৰি তুলিব পৰে। সেয়েহে তেওঁলোকে বিবাদ মান অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণৰ পোষকতা কৰি এক আহিছিল আৰু অৱশেষত, ২০১৯ চনৰ ৯ নৱেম্বৰ তাৰিখে সৰ্ব্বোচ্চ ন্যায়ালয়ৰ বিচাৰপীঠে পাঁচ দশক জোৰা বিতৰ্ক আৰু এক দীঘলীয়া আইনী যুঁজৰ পৰিসমাপ্তি ঘটালে। হিন্দু ধৰ্মীয় বিশ্বাসক স্বীকৃতি প্ৰদান কৰি সৰ্ব্বোচ্চ ন্যায়লয়ে বিবাদমান ভূমিতে ৰামমন্দিৰ নিৰ্মাণৰ পথ প্ৰশস্ত কৰা আৰু মুছলমান ধৰ্মালম্বী

Scanned by CamScanner

সকলৰ বাবে অযোধ্যাতে মছজিদ নিৰ্মাণৰ বাবে ৫ একৰ ভূমিৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দিয়া নিৰ্দেশাৱলীয়ে এক প্ৰকাৰ ভাৰতীয় গণতান্ত্ৰিক আদৰ্শ আৰু ধৰ্মনিৰপেক্ষ ঐতিহ্যকো ৰক্ষা কৰিলে।

মূলতঃ গোড়া হিন্দুত্বক বিশ্বাসী সকলে ভাৰতক এখন হিন্দুত্ব প্ৰধান ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে, সিমানেই গোড়া মুছলিম সকলেও তেওঁলোকৰ ধৰ্মক অধিক সক্ৰিয় কৰিবলৈ উঠিপৰি লাগিছে। সেয়েহে সদানন্দ ডিউমে (Sadananda Dhume) ৱাল ষ্ট্ৰিট জাৰ্নেল (Wall Street) ত ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ বিষয়ে মন্তব্য দি লিখিছে যে, 'ভাৰতীয় ধৰ্মনিৰপেক্ষতা আচলতে ফাঁকিবাচ আৰু অকৃতকাৰ্য ধৰ্মনিৰপেক্ষতা, ভাৰতৰ ধৰ্মনিৰপেক্ষতাবাদ পাশ্চাত্যৰ ধৰ্মনিৰপেক্ষতা বাদৰ দৰে নহয়। (Indian Secularism as a fraud and a failure since it isn't really secularism as it is understood in the western world as seperation of religion and state)। তেওঁৰ মতে ভাৰতীয় ধৰ্মনিৰপেক্ষতাই আচলতে ধৰ্মীয় তোষামোদ হে বুজায়। নবেল বঁটা বিজয়ী অৰ্মত্য সেনে ভাৰতীয় নিৰপেক্ষতাবাদৰ বিষয়ে মন্তব্য দি কৈছিল যে ভাৰতীয় নিৰপেক্ষতাবাদে ভাৰত ৰাষ্ট্ৰক ধৰ্মৰ পৰা দূৰত ৰাখিব লাগে। ৰাষ্ট্ৰই সকলো ধৰ্মৰ পৰা সমান দূৰত্বত অৱস্থান কৰি সকলোৰে প্ৰতি নিৰপেক্ষ দৃষ্টিভংগী গ্ৰহণ কৰিব লাগে। কোনো ধৰ্মৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰাৰ পৰা বিৰত থাকিব লাগে। তেওঁৰ মতে ৰাষ্ট্ৰই সকলো ধৰ্মক সমান মৰ্য্যদা প্ৰদান কৰিলেহে প্ৰকৃতাৰ্থত ধৰ্মনিৰপেক্ষ ধাৰণা কাৰ্যকৰী হ'ব।

আমি ইতিমধ্যেই আলোচনা কৰি আহিছো যে ভাৰতত সাম্প্ৰদায়িকতাবাদ এটা নতুন বিষয় নহয়। স্বাধীনোত্তৰ ভাৰতবৰ্ষতো বিভিন্ন সময়ত সাম্প্ৰদায়িক ঘটনা সংঘটিত হৈছিল। বৃটিছ চৰকাৰে তেওঁলোকৰ শাসন ব্যৱস্থা শক্তিশালী কৰিবৰ বাবে সাম্প্ৰদায়িকতাবাদক উৎসাহিত কৰি আহিছিল। ইংলেণ্ডৰ প্ৰধামন্ত্ৰী ৰামচে মেকডনাল্ডে (Ramsay Macdonald) ১৯৩২ চনৰ আগষ্ট মাহৰ ১৬ তাৰিখে সাম্প্ৰদায়িত বাটোৱাৰা (Communal Award) ঘোষণা কৰি ভাৰতৰ একতাৰ এনাজৰী ডালৰ ওপৰত কুঠাৰঘাট কৰিছিল। সাম্প্ৰদায়িত বাটোৱাৰাই ভাৰতৰ বিভিন্ন সম্প্ৰদায় সমূহক বিশেষকৈ মুছলমান, শিখ, ইউৰোপীয়ান সকল আৰু পিছপৰা শ্ৰেণীৰ লোকসকলে তেওঁলোকৰ প্ৰতিনিধি সুকীয়াকৈ নিৰ্বাচিত কৰাৰ সুবিধা প্ৰদান কৰিছিল। বৃটিছ চৰকাৰৰ এনে কুচক্ৰান্তমূলক কাৰ্য্যই ভাৰতৰ বিভিন্ন সম্প্ৰদায় সমূহৰ মাজত বিভেদভাৱৰ সৃষ্টি কৰি সাম্প্ৰদায়িকতাবাদ সৃষ্টিত অৰিহণা যোগাইছিল। ১৯৪৭ চনত ভাৰতক দ্বিখণ্ডিত কৰি বৃটিছ চৰকাৰে ভাৰত আৰু পাকিস্তান নামৰ দুখন স্বাধীন ৰাষ্ট্ৰৰ জন্ম দিলে। ১৯৪৭ চনৰ ভাৰত বিভাজন বিশ্ব ইতিহাসৰ আটাইতকৈ অপৰিকল্পিত আৰু শোকাবহ ঘটনা। ধৰ্মৰ নামত এটা সম্প্ৰদায়ৰ লোকে আন এটা সম্প্ৰদায়ৰ লোকক নৃশংসভাৱে হত্যা কৰিছিল। লাহোৰ, অমৃতসৰ আৰু কলকাতা 'সাম্প্ৰদায়িক মণ্ডলত' (Communal Zone) ত বিভক্ত হৈ পৰিছিল। হিন্দু আৰু শিখসকল মুছলমান সংখ্যা গৰিষ্ঠ অঞ্চললৈ আৰু মুছলমান লোক সকল হিন্দু আৰু শিখ অঞ্চলত প্ৰৱেশ কৰিব নোৱাৰিছিল। বিভাজনৰ ফলত সৃষ্টি হোৱা সাম্প্ৰদায়িত সংঘৰ্ষই লাখ লাখ মানুহক গৃহহীন কৰিছিল, চৰকাৰী হিচাপ মতে ১০ লাখতকৈ অধিক মানুহৰ এই সংঘৰ্ষত মৃত্যু হৈছিল। অসংখ্য মহিলা ধৰ্ষণ কৰা হৈছিল, আনকি বহুক্ষেত্ৰত মহিলা সকলক 'পৰিয়ালৰ সন্মান' ৰক্ষাৰ বাবে নিজৰ পৰিয়ালৰ সদস্যই হত্যা কৰিছিল। ধৰ্মীয় ভিত্তিত ভাৰতক দ্বি-খণ্ডিত কৰি দুখন ৰাষ্ট্ৰ কৰা হৈছিল যদিও ভাৰতত বহু

Scanned by CamScanner